জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

...ততম বছৰ, সংখ্যা ৩৭৬ ● বুধবাৰ ● ৮ আহিন ১৯৪৬ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Wednesday September 25 2024 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ প...

## ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা সত্ৰৰ আয়োজন

বান্দৰদেৱা ঃ নিজা বাতৰি দিওঁতা, ২৪ ছেপ্টেম্বৰ ঃ লখিমপুৰ জিলাৰ অসম-অৰুণাচল সীমান্তৱৰ্তী উচ্চ শিক্ষাৰ অন্যতম শিক্ষানুষ্ঠান পথালিপাহাৰৰ শংকৰদেৱ মহাবিদ্যালয়ৰ ইতিহাস বিভাগে অহা ১৮ আৰু ১৯ অক্টোবৰত মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা সত্ৰৰ আয়োজন কৰিছে। ভাৰতীয় ইতিহাস গৱেষণা পৰিষদৰ অৰ্থৰে হ'বলগা আলোচনা সত্ৰৰ মূল বিষয়বস্তু হৈছে— History, Society and Religious Practices in North East India : Trend and Factors। আলোচনা সত্ৰৰ সাৰাংশ জমা দিয়াৰ অন্তিম তাৰিখ ১২ অক্টোবৰ আৰু সম্পূৰ্ণ কাকত জমা দিয়াৰ শেষ তাৰিখ ১৫ অক্টোবৰ। ইচ্ছুক গৱেষক, অধ্যাপকসকলে অনলাইন আৰু অফলাইন দুয়ো প্ৰকাৰে নিজৰ নাম পঞ্জীয়ন কৰিব পাৰিব। আলোচনা সত্ৰ সম্পৰ্কে যিকোনো কথা জানিবৰ বাবে (৯১০১৯৩৩৯৬৬) নম্বৰত যোগাযোগ কৰিব পাৰিব। অংশগ্ৰহণকাৰীসকলে সাৰাংশসমূহ sdmseminar2021@gmail.comত পঠিয়াব পাৰিব। অধিক জানিবৰ বাবে মহাবিদ্যালয়ৰ ৱেবছাইট www.sdm.org.inত ক্লিক কৰিব পাৰিব বুলি মহাবিদ্যালয় কৰ্তৃপক্ষই জানিবলৈ দিছে।

# ডি এইচ এছ কানৈ মহাবিদ্যালয়ত ড° যোগীৰাজ বসু স্মাৰক বক্তৃতানুষ্ঠান



ডিব্ৰুগড ঃ ষ্টাফ ৰিপৰ্টাৰ, ২৪ ছেপ্টেম্বৰ ঃ অসম কলেজ শিক্ষক সংস্থা ডি এইচ এছ কানৈ মহাবিদ্যালয় গোটৰ উদ্যোগত আজি ২৭ সংখ্যক ড° যোগীৰাজ বসু স্মাৰক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। অসম কলেজ শিক্ষক সংস্থা ডি এইচ এছ কানৈ মহাবিদ্যালয় গোটৰ সম্পাদক ড° উত্তম মহনে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটোত মুখ্য বক্তা হিচাপে উপস্থিত থাকি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অৱসৰপ্ৰাপ্ত প্ৰাক্তন মুৰব্বী অধ্যাপিকা ড° অৰ্চনা শৰ্মাই 'সমৃদ্ধিৰ অৰ্থনীতি আৰু দৰ্শন' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰে। ড° শৰ্মাই বক্তৃতা প্ৰসংগত কয়— অৰ্থনৈতিক, দাৰ্শনিক আৰু মনোবৈজ্ঞানিক প্ৰেক্ষাপটত অৰ্থনীতিয়ে মানুহৰ জীৱনলৈ কেনেদৰে সুখ আৰু সমৃদ্ধি কঢ়িয়াই আনে সেই বিষয়ে তথ্য সহকাৰে বিশ্লেষণ আগবঢ়ায়। মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ দ্বাৰা পৰিৱেশিত সমৱেত সংগীতেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানটি সভাপতিত্ব কৰে অসম কলেজ শিক্ষক সংস্থা ডি এইচ এছ কানৈ মহাবিদ্যালয় গোটৰ সভাপতি ড° চন্দনা গোস্বামীয়ে। প্ৰাক্তন মুৰব্বী অধ্যাপিকা ড° অঞ্জলি ফুকনে উদ্বোধন কৰা বক্তৃতানুষ্ঠানটি তেওঁ ড° যোগীৰাজ বসুৰ শৈক্ষিক আৰু কৰ্মজীৱন আলোকপাত কৰে। অধ্যাপিকা ড° চয়নিকা গোস্বামীৰ মংগলাচৰণ আৰু পৰিচালনা সমিতিৰ সভাপতি অভিমন্যু বৰুৱাই বন্তি প্ৰজ্বলন কৰা অনুষ্ঠানত উপস্থিত সকলোকে আদৰণি জনাই মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয়, ড° যোগীৰাজ বসু এগৰাকী শৈক্ষিক নেতা আছিল আৰু আজিৰ পৰা আশী বছৰ পূৰ্বে প্ৰতিষ্ঠা কৰা মহাবিদ্যালয়খনৰ তেওঁ আছিল এজন স্বপ্নদ্ৰষ্টা। তেওঁ এগৰাকী দূৰদৰ্শী ব্যক্তি আছিল আৰু শিক্ষা সকলোৰে বাবে সুলভ হ'ব লাগে এই দৰ্শনত তেওঁ বিশ্বাসী আছিল। উত্তৰ-পূব ভাৰতৰ ডিব্ৰুগড় অঞ্চলত উচ্চ শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰত তেওঁ অক্লান্তভাৱে পৰিশ্ৰম কৰিছিল। তেওঁ গঢ়ি যোৱা মূল্যবোধ আৰু আদৰ্শৰে মহাবিদ্যালয়খন উজ্জীৱিত কৰি ৰখাত মহাবিদ্যালয়ৰ সকলোকে ধন্যবাদ জনায়। তেওঁ কয় যে আনুষ্ঠানিক শিক্ষা, জ্ঞান, অভিজ্ঞতা সীমিত থকা সত্ত্বেও তেওঁ উঠি অহা প্ৰজন্মক আগুৱাই নিবলৈ শিক্ষানুষ্ঠান গঢ়াৰ সপোন দেখিছিল। প্ৰতিষ্ঠাপক অধ্যক্ষগৰাকীৰ নিষ্ঠা আৰু দৃষ্টিভংগীয়ে সপোনক বাস্তৱত পৰিণত কৰিলে বুলিও তেওঁ কয়। শিক্ষানুষ্ঠান এটা গঢ়াৰ মূল উদ্দেশ্য কেৱল শিক্ষা বা জ্ঞান আহৰণেই নহয় বুলি উল্লেখ কৰি অধ্যক্ষগৰাকীয়ে কয়, শিক্ষানুষ্ঠান এটাই চৰিত্ৰ গঢ়ি তোলা, সহানুভূতি বৃদ্ধি কৰা আৰু চৌপাশৰ জগতখনৰ বিষয়ে গভীৰ বুজাবুজি কৰি তোলাত গুৰুত্ব দিয়ে। প্ৰতিষ্ঠাপক অধ্যক্ষগৰাকীয়ে শিক্ষাক পৰিৱৰ্তনশীল শক্তি ৰূপে বিশ্বাস কৰিছিল বুলিও তেওঁ কয়। এনে এজন বৰণ্য ব্যক্তি, পণ্ডিত এগৰাকীৰ নামত প্ৰতি বছৰে বক্তৃতাৰ আয়োজন কৰাত শিক্ষক গোটৰ সভাপতি, সম্পাদককে প্ৰমুখ্য কৰি সকলোকে ধন্যবাদ জ্ঞাপন কৰে। ড° বসুৰ শিক্ষাৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা উল্লেখযোগ্য অৱদানৰ বাবে তেওঁক গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে আৰু তেওঁৰ স্মৃতি জীয়াই ৰখাৰ ক্ষেত্ৰত সকলোকে আগবাঢ়ি আহিবলৈ অনুৰোধ জনায়। অনুষ্ঠানটোৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ কেইবাগৰাকীও প্ৰাক্তন অধ্যাপক-অধ্যাপিকাক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামী, অসম কলেজ শিক্ষক সংস্থাৰ কাৰ্যবাহী সদস্য ড° দীপংকজ গগৈকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, বহুকেইগৰাকী প্ৰাক্তন অধ্যাপক-অধ্যাপিকা আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনুষ্ঠানৰ লগত সংগতি ৰাখি মুখ্য বক্তাৰ লগত এক মত বিনিময় অনুষ্ঠানো অনুষ্ঠিত হয়। শেষত শলাগ জ্ঞাপন কৰে মহাবিদ্যালয়ৰ অধ্যাপিকা ড° চয়নিকা গোস্বামীয়ে।




৬। ক'লা আৰু ... উপলব্ধ
৭। এই চৌকা... লগতো ব্য...
৮। উচ্চ স্ক্ৰু ধা...
৯। গ্ৰাহকে বিচ... আকাৰ উপ...

গাৰ্টানি লেমিনে...
চিনামৰা, মৰিয়নি ৰোড, যোৰহাট...
ফোন নং ঃ

OPHTHA INVEST
Diagnostic Ophthalmology
Chandra Prabha Eye Hospita...

THE GAME CHANGER IN EYE C...

- Glaucoma Package
  Applanation Tonometry, Pachymetry, ...tography, Glaucoma OCT, Gonioscop... 24-2, 24-2c,10-2.
- Diabetic Retinopathy Package
  Fundus Photography, OCT, ... Angiography (if needed).
- Keratoconous Package
  Pentacam, Phoropter refraction.
- Cataract Surgery Investigative ...
  Optical biometry, Macular OCT, En... Density, B-Scan (if needed)

K. K. Handique Road, Jorhat - 785...
Ph : 8811040355, email - cpehjorhat@red...

SIGHT ...
The Eye Care ...
(A Unit of Jorhat Eye Ca...
চাইট প্লাচ
WE CARE FOR YOUR EYES